**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-06-2025 **Time :** 1910 Hrs.

## *Assamese Evening Bulletin*
## *HEADLINES*

১। গুজৰাটৰ আহমেদাবাদৰ মেঘানি নগৰত কালি হোৱা এয়াৰ ইণ্ডিয়া বিমানৰ দুৰ্ঘটনাস্থলীত আজি ফৰেণচিক বিশেষজ্ঞসকলৰ এটা দলে পুংখানুপুংখ তদন্ত অব্যাহত ৰাখিছে। ঘটনাস্থলীৰ পৰা বিমানখনৰ এটা ব্লেক বক্স উদ্ধাৰ কৰা হৈছে।

২। আয়ুষ মন্ত্ৰালয়ে কাইলৈ নতুন দিল্লীত **এখন পৃথিৱী এটা স্বাস্থ্যৰ বাবে যোগ** বিষয়বস্তুৰে যোগা কানেক্ট শীৰ্ষক এখন বিশ্ব পৰ্যায়ৰ শীৰ্ষ সন্মিলনৰ আয়োজন কৰিছে।

৩। বাংলাদেশৰ অন্তৰৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছ আৰু বাংলাদেশ নেশ্যনেলিষ্ট পাৰ্টীৰ কাৰ্যবাহী অধ্যক্ষ তাৰিক ৰহমানে দেশখনৰ পৰৱৰ্তী ৰাষ্ট্ৰীয় নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত সহমতত উপনীত হৈছে।

আৰু

৪। আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে জয়লাভৰ বাবে দক্ষিণ আফ্ৰিকাক দ্বিতীয় ইনিংছত ২৮২ ৰানৰ প্ৰয়োজন হৈছে।

ooooooo

গুজৰাটৰ আহমেদাবাদৰ মেঘানি নগৰত কালি হোৱা এয়াৰ ইণ্ডিয়া বিমানৰ দুৰ্ঘটনাস্থলীত আজি ফৰেণচিক বিশেষজ্ঞসকলৰ এটা দলে পুংখানুপুংখ তদন্ত অব্যাহত ৰাখিছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি ঘটনাস্থলীৰ পৰা বিমানখনৰ এটা ব্লেক বক্স উদ্ধাৰ কৰা হৈছে। ইয়াৰ পূৰ্বে এয়াৰ ট্ৰেফিক সেৱা চমুকৈ এ টি এছৰ দলে দুৰ্ঘটনাস্থলীৰ পৰা এটা ডিজিটেল ভিডিঅ' ৰেকৰ্ডাৰ উদ্ধাৰ কৰিছিল। দুৰ্ঘটনাটোৰ তদন্ত পূৰ্ণ গতিত চলি আছে আৰু সুৰক্ষা সংস্থাসমূহে দুৰ্ঘটনাস্থলীত উদ্ধাৰ কাৰ্য অব্যাহত ৰাখিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আহমেদাবাদৰ অসামৰিক চিকিৎসালয়ত উপস্থিত হৈ এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাত আহত লোকসকলৰ অৱস্থাৰ বুজ লয়। কালিৰ বিমান দুৰ্ঘটনাটোৰ প্ৰসংগত সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে আহমেদাবাদত সংঘটিত এই ভয়াবহ দুৰ্ঘটনাটোৱে দেশবাসীক শোকস্তব্ধ কৰি তুলিছে। এই হৃদয়বিদাৰক দুৰ্ঘটনাটোত বৃহৎ সংখ্যক লোকৰ প্ৰাণহানি ঘটাৰ ফলত হোৱা ক্ষতিক কোনো শব্দৰে বৰ্ণনা কৰিব নোৱাৰি বুলি উল্লেখ কৰি তেওঁ শোকসন্তপ্ত পৰিয়ালসমূহলৈ সমবেদনা জ্ঞাপন কৰে। শ্ৰীমোদীয়ে লগতে কয়, যে চৰকাৰে এই লোকসকলৰ বেথা অনুভৱ কৰাৰ লগতে তেওঁলোকৰ এই শূন্যতা যে বহু বছৰলৈ অনুভূত হৈ থাকিব, সেই কথাও উপলব্ধি কৰে।

প্ৰধানমন্ত্ৰীয়ে বিমান দুৰ্ঘটনাটোত প্ৰাণ ৰক্ষা পৰা একমাত্ৰ ব্যক্তি ভাৰতীয় মূলৰ ব্ৰিটিছ নাগৰিক বিশ্বাস কুমাৰ ৰমেশকো আজি স্থানীয় এখন চিকিৎসালয়ত সাক্ষাৎ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে দুৰ্ঘটনাটো

সংঘটিত হোৱা স্থান পৰিদৰ্শন কৰি দুৰ্ঘটনাৰ পৰৱৰ্তী পৰ্যায়ত অক্লান্তভাৱে কামত ব্যস্ত হৈ থকা লোকসকলকো সাক্ষাৎ কৰে।

কালিৰ বিমান দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীৰ পৰিয়ালকো সাক্ষাৎ কৰি প্ৰধানমন্ত্ৰীয়ে পাছত আহমেদাবাদত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰে। চিনাক্ত হোৱা মৃতদেহসমূহ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ পাছত পৰিয়ালক গতাই দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে। এতিয়ালৈকে ৭টাৰো অধিক মৃতদেহ পৰিয়ালৰ লোকক গতাই দিয়া হৈছে আৰু ২০০তকৈও অধিক ডি এন এ নমুনা সংগ্ৰহ সম্পন্ন হৈছে।

ইপিনে, দুৰ্ঘটনাত আহতসকলৰ চিকিৎসাৰ বাবে প্ৰয়োজন হোৱা তেজৰ চাহিদা পূৰণ কৰিবলৈ বহুসংখ্যক লোকে স্বেচ্ছাই ৰক্তদান কৰিবলৈ আহমেদাবাদৰ অসামৰিক চিকিৎসালয়ত উপস্থিত হৈছে। ভাৰতীয় সেনাবাহিনীয়ে আহমেদাবাদত থকা সেনাবাহিনীৰ ছাউনীত এটা ৰক্তদান শিবিৰৰ আয়োজন কৰিছে।

উল্লেখযোগ্য যে, এয়াৰ ইণ্ডিয়াৰ বয়িং 787-8 শ্ৰেণীৰ বিমানখন কালি আহমেদাবাদ বিমান বন্দৰৰ পৰা লণ্ডন অভিমুখে উৰা মৰাৰ ঠিক পাছতেই বি-জে মেডিকেল কলেজৰ কাষৰীয়া আবাসিক এলেকাত দুৰ্ঘটনাগ্ৰস্ত হয়। দুৰ্ঘটনাটোত বিমানখনৰ ২৪১ গৰাকী আৰোহীৰ লগতে আন কেইবাগৰাকীও ব্যক্তিৰ মৃত্যু হয়।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কৈছে যে তেওঁ আহমেদাবাদৰ বিমান দুৰ্ঘটনা সন্দৰ্ভত ব্ৰিটেইনৰ বিদেশ মন্ত্ৰী ডেভিদ লেমি, পৰ্তুগালৰ বিদেশ মন্ত্ৰী পাওলো ৰেঞ্জেল আৰু কানাডাৰ বিদেশ মন্ত্ৰী অনিতা আনন্দৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে। এই দুখৰ সময়ছোৱাত ড০ জয়শংকৰে শোকসন্তপ্তসকললৈ গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে তেওঁলোকলৈ সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ কথা দোহাৰে। উল্লেখযোগ্য যে কালিৰ দুৰ্ঘটনাটোত ব্ৰিটেইনৰ ৫৩গৰাকী, ৭গৰাকী পৰ্তুগীজ আৰু এগৰাকী কানাডাৰ নাগৰিকে প্ৰাণ হেৰুৱাইছে।

০০০০০০

আয়ুষ মন্ত্ৰালয়ে কাইলৈ নতুন দিল্লীত **এখন পৃথিৱী এটা স্বাস্থ্যৰ বাবে যোগ** বিষয়বস্তুৰে যোগা কানেক্ট শীৰ্ষক এখন বিশ্ব পৰ্যায়ৰ শীৰ্ষ সন্মিলনৰ আয়োজন কৰিছে। অহা ২১ জুনৰ একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি এই সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলনত এহেজাৰতকৈও অধিক অংশগ্ৰহণকাৰীয়ে ভাগ লোৱাৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ আগশাৰীৰ আন্তঃৰাষ্ট্ৰীয় যোগ প্ৰতিষ্ঠান আৰু স্বাস্থ্য কল্যাণ কেন্দ্ৰৰ প্ৰতিনিধিসকলেও ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ ল'ব। এই শীৰ্ষ সন্মিলনত যোৱাটো দশকজুৰি আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ প্ৰভাৱ সম্পৰ্কীয় অধ্যয়নৰ **যোগ প্ৰভাৱ** শীৰ্ষক প্ৰতিবেদন মুকলি কৰা হ'ব।

০০০০০০০০০

বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছ আৰু বাংলাদেশ নেশ্যনেলিষ্ট পাৰ্টীৰ কাৰ্যবাহী অধ্যক্ষ তাৰিক ৰহমানে দেশখনৰ পৰৱৰ্তী ৰাষ্ট্ৰীয় নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত সহমতত উপনীত হৈছে। সেই অনুসাৰে নিৰ্বাচন সংক্ৰান্তীয় সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিলে ২০২৬ চনৰ ফেব্ৰুৱাৰী মাহৰ দ্বিতীয় সপ্তাহত বাংলাদেশৰ ৰাষ্ট্ৰীয় নিৰ্বাচন অনুষ্ঠিত হ'ব। আজি লণ্ডনত অনুষ্ঠিত এখন বহু প্ৰত্যাশিত বৈঠকৰ অন্তত তেওঁলোকে এটা যুটীয়া বিবৃতিযোগে এই বিষয়ে প্ৰকাশ কৰে। আজিৰ বৈঠকত

মহম্মদ ইউনুছ আৰু তাৰিক ৰহমানে বাংলাদেশৰ সাধাৰণ নিৰ্বাচন সম্পৰ্কীয় বহুকেইটা জটিল দিশ সন্দৰ্ভত আলোচনা কৰাৰ অন্তত নিৰ্বাচন অনুষ্ঠিত কৰাৰ হকে সহমতত উপনীত হয়।

০০০০০০

ইজৰাইলে যোৱা নিশা ইৰাণৰ পাৰমানবিক প্ৰকল্প, বেলিষ্টিক ক্ষেপনাস্ত্ৰ কাৰখানা আৰু জ্যেষ্ঠ সেনাবাহিনীৰ নেতাক লক্ষ্য কৰি অপ্ৰৰোচিতভাৱে আক্ৰমণ সংঘটিত কৰে। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুয়ে অনাগত কেইটামান দিনলৈকে এই আক্ৰমণ অব্যাহত থাকিব বুলি প্ৰকাশ কৰিছে। আক্ৰমণৰ ফলত পশ্চিম এছিয়াত অনিশ্চয়তাৰ পৰিস্থিতি উদ্ভৱ হৈছে। ইজৰাইলৰ সেনাবাহিনীয়ে জানিবলৈ দিছে যে ইৰাণৰ ওপৰত ২০০খন যুঁজাৰু বিমানেৰে আক্ৰমণ কৰা হয়। ইয়াৰ প্ৰত্যুত্তৰত ইৰাণে ইজৰাইলক ১০০খন ড্ৰোণেৰে আক্ৰমণ কৰে। ইৰাণৰ ইছলামিক ৰিভলিউশ্যনেৰী গাৰ্ডৰ কামাণ্ডাৰ ইন চীফ জেনেৰেল হোছেইন ছালামী এই আক্ৰমণত নিহত হৈছে। তেওঁৰ লগতে দেশখনৰ নিৰাপত্তা বাহিনীসমূহৰ মুৰব্বী মহম্মদ বাঘেৰী, পাৰমানবিক শক্তি সন্থাৰ পূৰ্বৰ মুৰব্বী ফেৰেইডুন আববাছিকে ধৰি কেইবাগৰাকীও ক্ষমতাশালী লোক নিহত হৈছে। ইজৰাইলৰ প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিছে যে অপাৰেচন ৰাইজিং লায়নে প্ৰধানকৈ ইৰাণৰ প্ৰধান ইউৰেনিয়াম প্ৰকল্প, পাৰমানবিক বিজ্ঞানী আৰু বেলেষ্টিক ক্ষেপনাস্ত্ৰ কাৰ্যসূচীক আক্ৰমণৰ লক্ষ্য কৰি লৈছে।

আন্তঃৰাষ্ট্ৰীয় পাৰমানবিক শক্তি সন্থাই জানিবলৈ দিছে যে এই আক্ৰমণৰ ফলত পাৰমানবিক বিকিৰণৰ পৰিমাণ বৃদ্ধি হোৱা নাই। ইৰাণৰ প্ৰতিৰক্ষা বাহিনীসমূহৰ মুখপাত্ৰ ব্ৰিগেডিয়াৰ জেনেৰেল আবলফজল ছেকাৰ্চীয়ে এই আক্ৰমণৰ বাবে ইজৰাইল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই পৰিণাম ভূগিব লাগিব বুলি সকিয়াই দিছে। ইৰাণৰ সংবাদ মাধ্যমে জানিবলৈ দিয়া অনুসৰি তেহৰাণৰ আৱাসিক অঞ্চলত আক্ৰমণ চলোৱাৰ ফলত শিশুকে ধৰি ভালেমান অসামৰিক লোক নিহত হৈছে। ইতিমধ্যে ইজৰাইলে জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছে। ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰীয়ে কৈছে যে তেহৰাণ মহলে ক্ষেপনাস্ত্ৰ আৰু ড্ৰোণৰ জৰিয়তে আক্ৰমণ কৰিব পাৰে বুলি জনসাধাৰণক সাৱধান কৰি দিছে। আনহাতে, আক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি ইৰাণে পৰৱৰ্তী জাননী জাৰি নকৰা পৰ্যন্ত দেশখনৰ আকাশমাৰ্গ বন্ধ কৰাৰ জাননী জাৰি কৰিছে।

০০০০০০

কেন্দ্ৰীয় বৈদেশিক সচিব বিক্ৰম মিশ্ৰিয়ে আজি নতুন দিল্লীত চীনৰ বিদেশ দপ্তৰৰ উপমন্ত্ৰী ছান ৰেইডঙৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰি দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰে। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ এটা বিবৃতিত প্ৰকাশ পোৱা মতে তেওঁলোকে জনসাধাৰণৰ সৈতে সম্পৰ্কিত বিষয়ক অগ্ৰাধিকাৰ দি উভয় দেশৰ মাজৰ সম্পৰ্কক সুস্থিৰ কৰি তোলা আৰু নতুনকৈ গঢ় দিয়াৰ ক্ষেত্ৰত সহমত পোষণ কৰে। বিদেশ সচিব শ্ৰী মিশ্ৰিয়ে  চলিত বৰ্ষৰ কৈলাশ মানসৰোবৰ যাত্ৰা পুনৰ আৰম্ভ কৰাৰ ক্ষেত্ৰত চীনৰ সহযোগিতাৰ শলাগ লয়।

০০০০০০০০০

মংগোলীয়াৰ উলান বাটাৰত আজি ভাৰত-মংগোলীয়া যুটীয়া সামৰিক অনুশীলন ন'মাডিক এলিফেণ্টৰ সপ্তদশ সংস্কৰণৰ সামৰণি পৰে। সামৰণি অনুষ্ঠানত প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙে ন'মাডিক এলিফেণ্ট অনুশীলনৰ সময়ছোৱাত ভাৰতীয় সৈনিকসকলে প্ৰদৰ্শন কৰা নিষ্ঠা, একাগ্ৰতা আৰু সুব্যৱহাৰৰ শলাগ লয়। তেওঁ লগতে এই সামৰিক অনুশীলনক দুয়োখন দেশৰ মাজত থকা বন্ধুত্ব, পাৰস্পৰিক বিশ্বাস আৰু সাংস্কৃতিক সম্পৰ্কৰ উৎকৃষ্ট নিদৰ্শনৰূপে অভিহিত কৰে। উল্লেখযোগ্য যে

অৰুণাচল স্কাউটছ্ বেটেলিয়নৰ ৪৫গৰাকী নিৰ্বচিত সেনাৰে গঠিত ভাৰতীয় সৈন্যবাহিনীৰ প্ৰতিনিধি দলে এই সামৰিক অনুশীলনত অংশগ্ৰহণ কৰিছিল।

০০০০০০০০০

আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে জয়লাভৰ বাবে দক্ষিণ আফ্ৰিকাক দ্বিতীয় ইনিংছত ২৮২ ৰানৰ প্ৰয়োজন হৈছে। লৰ্ডছত অনুষ্ঠিত খেলখনৰ আজি তৃতীয় দিনা অষ্ট্ৰেলিয়াৰ দ্বিতীয় ইনিংছ ২০৭ ৰাণতে সমাপ্ত হয় আৰু সামগ্ৰিকভাৱে অষ্ট্ৰেলিয়া দক্ষিণ আফ্ৰিকাতকৈ ২৮১ ৰানত আগবাঢ়ি থাকে। মধ্যাহ্ন বিৰতিৰ পাছত দক্ষিণ আফ্ৰিকাই নিজৰ দ্বিতীয় ইনিংছ খেলিবলৈ লৈ আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে এটা উইকেটৰ বিনিময়ত ৭০ ৰাণ সংগ্ৰহ কৰিছে।

০০০০০০০০০

সমাপ্ত